**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 02**-04-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অসমত বিকাশৰ গতি অব্যাহত ৰখাৰ স্বাৰ্থত জনসাধাৰণক বিজেপিক ভোটদান কৰিবলৈ আহ্বান জনায়।

২। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধীয়ে আজি কাৰ্বি আংলঙত ২৪৪(ক) অনুচ্ছেদ কাৰ্যকৰী কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

৩। দেশত ২০২৫-২৬ বিত্তিয় বৰ্ষত বাণিজ্যিক খনি আৰু কোম্পানীৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে খনন কৰা কয়লাৰ উৎপাদন অভিলেখ পৰিমাণত ২১০ দশমিক ৪-৬ মিলিয়ন টন হয়।

৪। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৱে সামৰিক শক্তিৰ জৰিয়তে হৰমুজ প্ৰণালী পুনৰ মুকলি কৰাটো অবাস্তৱ বুলি বিবেচনা কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

অসমৰ বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ কলিয়াবৰত এখন নিৰ্বাচনী সভাত অংশ লয়। তেওঁ বিগত সময়ছোৱাত এন ডি এ চৰকাৰৰ শাসনকালত ৰাজ্যত উন্নয়নৰ ধাৰা সোণালী আখৰেৰে লিখা যাব বুলি উল্লেখ কৰে। অসমত পুনৰবাৰ সু-শাসনৰ জৰিয়তে বিকাশৰ গতি অব্যাহত ৰখাৰ স্বাৰ্থত জনসাধাৰণক বিজেপিক ভোটদান কৰিবলৈ তেওঁ আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ দলে তেওঁলোকৰ শাসনকালত ৰাজ্যখনক অৱহেলা কৰা বুলি অভিযোগ তুলি বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে বিগত ১০ বছৰত ৰাজ্যখনৰ বিকাশৰ বাবে এক লাখ ৭৮ হাজাৰ কোটি টকা আৱণ্টন দিয়া বুলি উল্লেখ কৰে।

শ্ৰীশ্বাহে কাইলৈ পুৱা গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰীত প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীশ্বাহে কাইলৈ দুধনৈ আৰু পলাশবাৰীত নিৰ্বাচনী সভাত ভাষণ দিব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীও আজি প্ৰচাৰৰ বাবে অসমলৈ আহিছে। তেওঁ প্ৰথমে পলাশবাৰীত প্ৰচাৰ চলোৱাৰ পাছত মধ্য গুৱাহাটীত প্ৰচাৰ চলাব।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধীয়ে আজি কাৰ্বি আংলং জিলাৰ বোকাজান আৰু তিতাবৰৰ কাছজান চাহ বাগিচাত আয়োজিত জনসভাত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। বোকাজানত নিৰ্বাচনী সভাত

কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে তেওঁৰ দল পুনৰ ক্ষমতালৈ আহিলে কাৰ্বি আংলঙত ২৪৪(ক) অনুচ্ছেদ কাৰ্যকৰী কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। কংগ্ৰেছ দলে ক্ষমতাৰ বিকেন্দ্ৰিকৰণত বিশ্বাস কৰে বুলি উল্লেখ কৰি তেওঁ কয়, যে তৃণমূল পৰ্যায়ৰ পৰাই পৰিৱৰ্তনৰ সূচনা হ'ব লাগে আৰু ইয়াৰ বাবে দিল্লী বা গুৱাহাটীৰ পৰা শাসনৰ পৰিৱৰ্তে স্থানীয় নেতাই অঞ্চলটোত শাসন কৰা উচিত। একেদৰে তিতাবৰত প্ৰচাৰ সভাত অংশ লৈ শ্ৰীগান্ধীয়ে বৰ্তমানৰ চৰকাৰখনৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰে।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিমবংগত পৰিৱৰ্তনৰ বাবে আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভৱানীপুৰ বিধানসভা আসনৰ বাবে দলৰ প্ৰাৰ্থী সুভেন্দু অধিকাৰী আৰু ৰাছবিহাৰী, বল্লিগুংগে আৰু চৌৰাংঘী বিধানসভা সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থীৰ সমৰ্থনত কলকাতাত অনুষ্ঠিত ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। সভাত ভাষণ দি শ্ৰী শ্বাহে কয়, যে দুৰ্নীতি, মহিলাৰ ক্ষেত্ৰত নিৰাপত্তাহীনতা, অবৈধ অনুপ্ৰৱেশ আৰু পৰিৱৰ্তনশীল জনগাঁথনিৰ বাবে পশ্চিমবংগৰ জনসাধাৰণৰ জীৱন দুঃখস হৈ পৰিছে। তেওঁ পশ্চিমবংগৰ জনসাধাৰণক নিৰ্ভয়ে ভোটদান কৰিবলৈ আহ্বান জনায়। ইপিনে, পশ্চিমবংগৰ বিৰোধী দলৰ নেতা সুভেন্দু অধিকাৰীয়ে ৰাছবিহাৰী, বল্লিগুংগে আৰু চৌৰাংঘী বিধানসভা সমষ্টিৰ প্ৰাৰ্থীসকলৰ সৈতে মনোনয়ন পত্ৰ দাখিল কৰে। ১৪২ খন আসনৰ বাবে দ্বিতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে অধিসূচনা আজি প্ৰকাশ কৰা হৈছে। দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন ৯ এপ্ৰিল আৰু ২৯ এপ্ৰিলত ভোটদানৰ দিন ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে, প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া ৩০ মাৰ্চৰ পৰা আৰম্ভ হৈছে। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন ৬ এপ্ৰিল আৰু ২৩ এপ্ৰিলত ভোটদানৰ দিন ঘোষণা কৰা হৈছে।

০০০০

দেশত ২০২৫-২৬ বিত্তিয় বৰ্ষত বিগত বৰ্ষৰ তুলনাত বাণিজ্যিক খনি আৰু কোম্পানীৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে খনন কৰা কয়লা উৎপাদন অভিলেখ পৰিমাণত ২১০ দশমিক ৪-৬ মিলিয়ন টন হয়। এই বিকাশৰ হাৰ ১০ দশমিক ২-২ শতাংশ হয়। ২০২৪-২৫ বিত্তিয় বৰ্ষত ৭ দশমিক ৩-৫ শতাংশৰে কয়লাৰ উৎপাদন ২০৪ দশমিক ৬-১ মেট্ৰিকটন হৈছিল। কয়লা মন্ত্ৰালয়ে জানিবলৈ দিছে যে খননৰ কাৰ্যক্ষমতা বৃদ্ধি তথা কয়লাৰ সৰবৰাহ অধিক সূচল কৰি দেশৰ শক্তিৰ বৰ্ধিত চাহিদা পূৰণ কৰাৰ বাবে এই খণ্ডৰ উৎপাদন বৃদ্ধি হৈছে। ২০২৫-২৬ বিত্তিয় বৰ্ষত ১২টা বাণিজ্যিক কয়লাৰ খনি কাৰ্যক্ষম হৈ থকাৰ ফলত বাৰ্ষিক ৮৬ মেট্ৰিকটন কয়লাৰ উৎপাদন অধিক বৃদ্ধি পাইছে। এই বৃদ্ধিয়ে আত্মনিৰ্ভৰ ভাৰতৰ সাফল্যক প্ৰতিফলিত কৰিছে।

০০০০

ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৱে সামৰিক শক্তিৰ জৰিয়তে হৰমুজ প্ৰণালী পুনৰ মুকলি কৰাটো অবাস্তৱ বুলি বিবেচনা কৰিছে। সংবাদ মাধ্যমৰ আগত তেওঁ কয়, যে কোনো ধৰণৰ সামৰিক অভিযানৰ জৰিয়তে এই প্ৰণালীৰে মালবাহী জাহাজ চলাচল কৰাৰ বাবে বহু সময় লাগিব আৰু ইয়াৰ ফলত জাহাজসমূহ বেলিষ্টিক ক্ষেপনাস্ত্ৰ আৰু অন্যান্য ক্ষমতা থকা ইছলামিক ৰিভলিউচনেৰী গাৰ্ড ক'ৰৰ পৰা উপকূলীয়া ভাবুকিৰ সন্মুখীন হ'বলগীয়া হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে যুদ্ধবিৰতিৰ পাছত এই প্ৰণালীটো মুকলি কৰিবলৈ ইৰানৰ সৈতে আলোচনাৰ প্ৰয়োজন হ'ব।

০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে বিগত মাহত ২৬ৰ পৰা ২৯ তাৰিখলৈ কেমেৰুনৰ ইয়াওণ্ডেত অনুষ্ঠিত বিশ্ব বাণিজ্য সংস্থাৰ চতুৰ্দশ মন্ত্ৰী সন্মিলনৰ বিষয়ে আজি সংবাদ মাধ্যমত বিস্তৃতভাৱে অৱগত কৰে। নতুন দিল্লীত ভাষণ দি শ্ৰী গোৱেলে কয়, যে চাৰিদিনীয়া সন্মিলনত বিশ্ব বাণিজ্য সংস্থাৰ সংস্কাৰ, মীণ পালনৰ ক্ষেত্ৰত ৰাজসাহায্য, উন্নয়ন আৰু বিনিয়োগৰ সুবিধা, ই কমাৰ্চ, কৃষি আৰু অন্যান্য উন্নয়নমূলক ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি সন্মিলনত তিনিটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। য'ত বহুপক্ষীয় বাণিজ্যিক ব্যৱস্থাত ক্ষুদ্ৰ অৰ্থনীতিৰ একত্ৰিকৰণ শক্তিশালী কৰাৰ লক্ষ্যৰে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ জৰিয়তে বাণিজ্যিক সা-সামগ্ৰীৰ সৰবৰাহ, সংযোগ, যাতায়াতৰ উন্নতিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি বিশ্বৰ বাণিজ্যত সকলোৰে অংশগ্ৰহণ সহজসাধ্য কৰাৰ চেষ্টা কৰা হৈছে।

০০০০

ৰাজ্যসভাত জনবিশ্বাস সংশোধনী বিধেয়ক, ২০২৬ বিবেচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হয়। এই বিধেয়কত কিছুমান অধিনিয়ম সংশোধন কৰি অপৰাধক নিৰ্দিষ্ট শ্ৰেণীৰ পৰা অপসাৰণ আৰু যুক্তিসংগত কৰাৰ প্ৰয়াস কৰা হৈছে। জীৱন ধাৰণ আৰু ব্যৱসায় সূচল কৰাৰ বাবেও ইয়াত প্ৰয়াস কৰা হৈছে। সাধাৰণ অপৰাধক এই বিধেয়কত অপৰাধ শ্ৰেণীৰ পৰা বাহিৰ কৰা তথা জৰিমনা আৰু শাস্তি বিহাৰ অনুপাত সংশোধন কৰাৰ ব্যৱস্থা কৰা হৈছে। এই বিধেয়কত ২৩টা মন্ত্ৰালয়ৰ ৭৯টা কেন্দ্ৰীয় অধিনিয়ম সংশোধনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

মুঠ ৭৮৪ টা অধিনিয়ম সংশোধনৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। ব্যৱসায় কৰা সহজসাধ্য কৰাৰ বাবে ইয়াৰে ৭১৭ টা অধিনিয়ম প্ৰত্যাহাৰ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে আৰু জীৱন ধাৰণ সহজলভ্য কৰি তোলাৰ বাবে ৬৭ টা অধিনিয়মৰ প্ৰস্তাৱ লোৱা হৈছে। লোকসভাত কালি এই বিধেয়কখন পাৰিত হয়।

আলোচনাত অংশ লৈ কংগ্ৰেছৰ শক্তি সিং গহিলে কয়, যে চৰকাৰে খৰখেদাকৈ এই বিধেয়কখন আনিছে। তেওঁ কয়, যে সংশোধনৰ বাবে লোৱা ইয়াৰে ৭৯ টা অধিনিয়মে জনসাধাৰণক ক্ষতিগ্ৰস্ত কৰিব। টি এম চি নাদিমূল হকেও এই আলোচনাত ভাগ লয়।

বিজেপিৰ লহৰ সিং চিৰোৱাই কয়, যে চৰকাৰে উদ্যোগ, ষ্টাৰ্ট আপ, ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগ তথা কৃষকসকলৰ উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

০০০০

আমেৰিকাৰ নেব্ৰাছ্কা ৰাজ্যই আনুষ্ঠানিকভাৱে দীপাৱলী আৰু ৰাজ্যখনৰ সকলো বাসিন্দাৰ বাবে এই উৎসৱৰ তাৎপৰ্যক স্বীকৃতি দি ৰাজ্যিক বিধানসভাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। ৰাজ্যিক চিনেটৰ জন ফেড্ৰিকছনে উত্থাপন কৰা এই প্ৰস্তাৱক দীপাৱলী ভাৰতীয় পৰম্পৰাৰে অন্যতম আৰু সৰ্বাধিক উদযাপিত উৎসৱ হিচাপে স্বীকৃতি দিয়া হৈছে। সম্প্ৰদায়সমূক একত্ৰিত কৰাৰ ক্ষেত্ৰত উৎসৱৰ ভূমিকাক স্বীকৃতি দি ৰাজ্যখনৰ সাংস্কৃতিক আৰু সামাজিক ক্ষেত্ৰখনলৈ নেব্ৰাছ্কাত বসবাস কৰা ভাৰতীয় মূলৰ লোকসকলৰ অৱদান সন্দৰ্ভত আলোকপাত কৰা হৈছে। ছিয়েটলত থকা ভাৰতৰ বাণিজ্যিক দূতাবাস চিনেটৰ জন ফেড্ৰিকছনক এই পদক্ষেপৰ নেতৃত্ব দিয়াৰ বাবে আৰু ভাৰতীয়-আমেৰিকান লোকসকলক এই স্বীকৃতি লাভৰ ক্ষেত্ৰত শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০

মংগোলিয়াৰ উলানবাটৰত অনুষ্ঠিত এছিয়ান বক্সিং চেম্পিয়নশ্বিপত আজি ভাৰতৰ বক্সাৰ আদিত্য প্ৰতাপ যাদবে পুৰুষৰ ৬৫ কেজি ওজন শাখাত চৌদি আৰবৰ মৌচা অলহাছাওক ৫-০ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। কোৱাৰ্টাৰ ফাইনেলত তেওঁ উজবেকিস্তানৰ আব্দুল্লা মাদামিনভৰ মুখামুখি হ'ব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা ডেলহি কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০

কেন্দ্ৰীয় শক্তিমন্ত্ৰী মনোহৰ লালে স্পষ্ট কৰি দিছে যে প্ৰিপেইড বিদ্যুৎ স্মাৰ্ট মিটাৰ সকলো উপভোক্তাৰ বাবে বাধ্যতামূলক নহয়। লোকসভাৰ প্ৰশ্নোত্তৰ কালত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰি শ্ৰী লালে কয় যে, যদিহে কোনো উপভোক্তাই এই প্ৰিপেইড স্মাট মিটাৰ ব্যৱহাৰৰ ইচ্ছা কৰে, তেন্তে ই কেৱল উপভোক্তজনকে নহয় বৰং সংশ্লিষ্ট ৰাজ্য আৰু বিতৰণ কোম্পানীসমূহকো উপকৃত কৰিব।

০০০০

ঃঃ সমাপ্ত ঃঃ